অসম আদিত্য

৫ জেঠ, ১৯৪৫ শক ■ শুকুৰবাৰ, ৯ জুন, ২০২৩ ■ Asom Aditya, Dibrugarh, Friday, June 9, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০' শীৰ্ষক আলোচনা চক্ৰ

ডিব্ৰুগড়, ৮ জুন ঃ অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোট আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যুটীয়া উদ্যোগত ৭ জুনত 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০' শীৰ্ষক এখনি আলোচনা চক্ৰ সম্পন্ন হয়। অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড° বিৰাজ দত্তই আঁত ধৰা আলোচনা চক্ৰখন সভাপতিত্ব কৰে শিক্ষক গোটৰ সভাপতি ড° জ্যোতি প্ৰসাদ ফুকনে। আলোচনা চক্ৰখন উদ্বোধন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০'ৰ প্ৰাসংগিকতা আৰু ইয়াৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰাৰ লগতে চলিত বৰ্ষৰ পৰা আৰম্ভ হ'বলগা এই নীতিয়ে শিক্ষা ব্যৱস্থাৰ এক ব্যাপক পৰিৱৰ্তন সাধন কৰিব বুলি মত প্ৰকাশ কৰে। অধ্যক্ষ ড° শইকীয়াই লগতে মত প্ৰকাশ কৰে যে আমি প্ৰাৰম্ভিক অৱস্থাত এই শিক্ষা নীতি প্ৰৱৰ্তন কৰিবলৈ যাওঁতে কিছু কিছু ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'লেও অনাগত দিনসমূহত এই সকলোবিলাক প্ৰত্যাহ্বানক অতিক্ৰম কৰি দেশৰ শিক্ষা জগতলৈ বৰঙণি যোগাব পৰাকৈ মানৱ সম্পদ গঢ়ি তুলিবলৈ সক্ষম হ'ম। অধ্যক্ষগৰাকীয়ে লগতে শিক্ষক গোটৰ এনে প্ৰচেষ্টাক যথেষ্ট সময়োপযোগী বুলি মত প্ৰকাশ কৰে। আলোচনা চক্ৰখনত তিনিগৰাকীকৈ সমল ব্যক্তিয়ে নিজৰ বক্তব্য ৰখাৰ লগতে 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০'ৰ সন্দৰ্ভত বিস্তাৰিত ৰূপত আলোকপাত কৰে। আলোচনা চক্ৰখনৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক তথা অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ প্ৰাক্তন সঞ্চালক ড° শৰৎ চন্দ্ৰ কাকতি। মূল ভাষণ প্ৰসংগত অধ্যাপক ড° কাকতিয়ে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিভিন্ন দিশ বিস্তাৰিত ৰূপত ব্যক্ত কৰাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে বিষদভাৱে আলোকপাত কৰে। দ্বিতীয়জন সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বৰুণ ডেয়ে চাৰিবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰমৰ ব্যৱস্থাৰ সন্দৰ্ভত এক বিস্তৃত ব্যাখ্যা আগবঢ়ায়। তেওঁ এই চাৰিবছৰীয়া পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীসকললৈ আগবঢ়োৱা 'এণ্ট্ৰি' আৰু 'এগজিট', 'একাডেমীক বেংক অৱ ক্ৰেডিট' আদি ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। আন এজন সমল ব্যক্তি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁয়ে নতুন শিক্ষাবৰ্ষৰ পৰা কাৰ্যকৰী হ'বলগা এই শিক্ষা ব্যৱস্থাৰ সম্ভাব্য প্ৰত্যাহ্বানসমূহৰ বিষয়ে বিষদভাৱে আলোচনা কৰে। ৰাজ্যিক পৰ্যায়ৰ এই আলোচনা চক্ৰখনত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালীকে ধৰি কানৈ মহাবিদ্যালয়ৰ